# Telephone Conversation between PM and President of the Republic of South Africa

April 17, 2020

## প্ৰধানমন্ত্ৰী আৰু দক্ষিণ আফ্ৰিকা গণৰাজ্যৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 17, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দক্ষিণ আফ্ৰিকা গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামহিম চাইৰিল ৰামাফোছাৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই কভিড-19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা আভ্যন্তৰীণ, আঞ্চলিক আৰু বৈশ্বিক প্ৰত্যাহ্বানসমূহৰ ওপৰত তেওঁলোকৰ মত বিনিময় কৰে। তেওঁলোকে নিজ দেশৰ জনসাধাৰণৰ স্বাস্থ্যৰ সুৰক্ষাৰ লগতে অৰ্থনৈতিক সংকটৰ মোকাবিলা কৰাৰ কাৰণে কেনেধৰণৰ পদক্ষেপ হাতত লৈছে সেই বিষয়েও আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে সংকটৰ এই সময়ছোৱাত ভাৰতে দক্ষিণ আফ্ৰিকাক অত্যাৱশ্যকীয় ঔষধ সহ সম্ভাব্য সকলোধৰণৰ সহায়তাৰ আশ্বাস দিয়ে

ৰাষ্ট্ৰপতি ৰামাফোছে আফ্ৰিকান ইউনিয়নৰ সদস্য হিচাপে অঞ্চলটোত মহামাৰীৰ সৈতে মোকাবিলা কৰাত গ্ৰহণ কৰা সক্ৰিয় ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেখেতৰ প্ৰশংসা কৰে।

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত শ শ বছৰ পুৰণি বন্ধুত্ব তথা দুয়োখন দেশৰ জনসাধাৰণৰ মাজত যোগাযোগৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোডীয়ে এই ভাইৰাছৰ সৈতে মোকাবিলা কৰাত আফ্ৰিকাক পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি কয়।

**নতুন দিল্লী**
**এপ্ৰিল 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.